Total No. of Printed Pages—3

**3 SEM TDC ELASM 1**

**2014**

( November )

ELECTIVE ASSAMESE

Course : 301

**( অসমীয়া গদ্য-সাহিত্য )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ লিখাঁ : ১×৮=৮

(ক) 'সূক্ষ্ম ধাৰণা আৰু ভক্তিযোগ' পাঠটি ক'ৰ পৰা লোৱা হৈছে?

(খ) ৰঘুনাথ মহন্ত কোন শতিকাৰ কবি?

(গ) লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি কেইপদ কাক দান কৰিলোঁ বুলি কৃপাবৰ বৰুৱাৰ উইলত উল্লেখ কৰিছে?

(ঘ) ড০ বাণীকান্ত কাকতিৰ গৱেষণা-গ্ৰন্থখনৰ নাম কি?

(ঙ) "মানুহ এটা সাংস্কৃতিক জীৱ।" কথাষাৰ কোনে কৈছিল?

(চ) Modernismৰ অসমীয়া প্ৰতিশব্দ কি?

(ছ) 'বিজ্ঞান আৰু সভ্যতা' পাঠৰ লেখক কোন?

(জ) লক্ষ্মীনন্দন বৰাই সম্পাদনা কৰা অসমীয়া সাহিত্য-আলোচনীখনৰ নাম লিখাঁ।

২। (ক) প্ৰাচীন অসমীয়া গদ্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) 'আধুনিক অসমীয়া গদ্যৰ গতিপথ' শীৰ্ষক এটি নিবন্ধ যুগুত কৰাঁ।

৩। (ক) বুৰঞ্জী সাহিত্য বুলিলে কি বুজা? 'আহোমৰ দিনৰ বিষয়াসকলৰ নিবন্ধ' শীৰ্ষক পাঠটিৰ বিষয়বস্তুৰ আভাস দি গদ্যশৈলী বিচাৰ কৰাঁ। ১৪

*অথবা*

(খ) ৰঘুনাথ মহন্তৰ পৰিচয় দি 'ৰামৰ বনবাস যাত্ৰা' শীৰ্ষক পাঠৰ মূল কথাখিনি নিজৰ ভাষাৰে লিখাঁ। ৫+৯=১৪

৪। (ক) অসমীয়া ভাষা-সাহিত্যলৈ বাণীকান্ত কাকতিৰ অৱদান উল্লেখ কৰি 'পুৰণি সাহিত্যৰ সীমাবদ্ধতা' সম্পৰ্কে তেখেতে আগবঢ়োৱা অভিমত উল্লেখ কৰাঁ। ৬+৮=১৪

*অথবা*

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'কৃপাবৰ বৰুৱাৰ উইল' শীৰ্ষক পাঠটিত অসমীয়া সমাজ-সংস্কৃতিৰ ছবিখন কেনেদৰে উদ্ভাসিত হৈছে, আলোচনা কৰাঁ। ১৪





৫। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৮×২=১৬

(ক) বিজ্ঞান বুলিলে কি বুজা? বৈজ্ঞানিক ধাৰণা আৰু তত্ত্বৰ কেনেদৰে বিকাশ ঘটে এই বিষয়ে এটি সংক্ষিপ্ত আলোচনা দাঙি ধৰাঁ।

(খ) 'আধুনিক আৰু আধুনিকতাবাদ' নামৰ পাঠটিৰ আধাৰত আধুনিকতাবাদ সম্পৰ্কে চমুকৈ লিখাঁ।

(গ) প্ৰাচীন যুগৰ ব্যৱহাৰিক প্ৰযুক্তি আৰু আধুনিক যুগৰ বিজ্ঞানভিত্তিক প্ৰযুক্তিৰ মাজত থকা মূল পাৰ্থক্য উল্লেখ কৰি প্ৰাগৈতিহাসিক কালৰ পৰা আধুনিক যুগলৈকে সভ্যতাৰ বিকাশৰ সংক্ষিপ্ত ৰূপৰেখা দাঙি ধৰাঁ।

৬। (ক) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'এজনী জাপানী ছোৱালী' শীৰ্ষক গল্পৰ কাহিনীটো চমুকৈ লিখি চুটিগল্পৰ কোনবোৰ লক্ষণ এইটো গল্পত প্ৰকাশ পাইছে, বিচাৰ কৰাঁ। ১৪

*অথবা*

(খ) চুটিগল্পৰ বৈশিষ্ট্য কেইটামান উল্লেখ কৰি চৈয়দ আব্দুল মালিকৰ 'ঢাকনি' শীৰ্ষক গল্পত এই বৈশিষ্ট্যসমূহৰ কেনেদৰে প্ৰতিফলন ঘটিছে, আলোচনা কৰাঁ। ৪+১০=১৪

★★★